# 2024

## ASSAMESE

## ( Honours Core )

Paper : ASM–HC–3016

**( Assomiya Sahitya Prabesh )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'সাগৰ দেখিছা' পুথিখনিৰ লেখক কোন?

(খ) খঞ্জৰ মানে কি?

(গ) 'চম্পাৱতীৰ সাধু'টো লেখকৰ কোনখন গ্ৰন্থত পোৱা যায়?

(ঘ) 'শৰ-সন্ধান' কবিতাটিত উল্লেখ থকা ভাৰতৰ ৰাজ্যখনৰ নাম কি?

(ঙ) 'দুখন ভৰি' গল্পত বৰ্ণনা কৰা মতে বেণুয়ে মাছটো কাক দিছিল?

(চ) 'জীৱনৰ অমিয়া' প্ৰবন্ধটিত উল্লেখিত দুই শ্ৰেণীৰ মানুহৰ মাজৰ এটা পাৰ্থক্য উল্লেখ কৰা।

(ছ) টেপুৰামৰ ঘৰ ক'ত আছিল?

(জ) 'উকৃথা' শব্দৰ অৰ্থ কি?

(ঝ) ''সময়খিনি মোৰ যে বুকুখন তেনেই উদং হৈ থাকিব, ভাই।'' ইয়াত বক্তাগৰাকী কোন?

(ঞ) 'মেকং নৈ দেখিলো' গ্ৰন্থখনিত কিমানখন দেশ ভ্ৰমণৰ কথা বৰ্ণনা কৰিছে?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) ৰায় বাহাদুৰে কিয় আৰু কাৰ বাবে প্ৰীতি সন্ধিয়াৰ আয়োজন কৰিছিল?

(খ) 'চম্পাৱতীৰ সাধু'ত উল্লেখিত ধনী মানুহজনৰ দুইগৰাকী পত্নীৰ নাম কি আছিল?

(গ) 'মেকং নৈ দেখিলো'ত বৰ্ণিত চাৰিখন দেশৰ নাম লিখা।

(ঘ) মমতা নকৈ ঘৰলৈ আহিবৰ দিনা আকাশখন কেনেকুৱা হৈছিল, বৰ্ণনা কৰা।

(ঙ) বাপুকণৰ দুজন বন্ধুৰ নাম লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) 'জীৱন বৃত্ত' গ্ৰন্থখনিত লেখক ড. ভবেন্দ্ৰনাথ শইকীয়াই বৰশী বোৱা দৃশ্যটো কেনেদৰে বৰ্ণনা কৰিছে, চমুকৈ লিখা।

(খ) হৰিবল ককাই গাঁৱৰ মানুহৰ কাৰণে কেনেকুৱা কেনেকুৱা কাম কৰিছিল, লিখা।

(গ) ‘ব্যক্তিগত পুথিভঁৰাল’ প্ৰবন্ধটিত বৰ্ণনা কৰা চুক্তিপত্ৰৰ কথাখিনি চমুকৈ ব্যাখ্যা কৰা।

(ঘ) জীৱনৰ অমিয়া কেনেধৰণে লাভ কৰিব পাৰি, লিখা।

(ঙ) চৈয়দ আব্দুল মালিকৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে লিখা।

(চ) হেম বৰুৱাৰ সাহিত্যিক প্ৰতিভা সম্পৰ্কে এটি চমু টোকা যুগুত কৰা।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) সময়ৰ পৰিৱৰ্তনে মানুহৰ জীৱনলৈ কেনেধৰণৰ পৰিৱৰ্তন আনে সেই কথা ‘সাউদৰ পুতেকে নাও মেলি যায়’— উপন্যাসখনিত কেনেদৰে উপস্থাপন কৰিছে, আলোচনা কৰা।

(খ) ‘কথা-চহকী মাৰ্কিন ডেকাৰ সংগসুখ’ শীৰ্ষক প্ৰবন্ধটিক ভ্ৰমণ সাহিত্য হিচাবে বিচাৰ কৰি এটা আলোচনা যুগুত কৰা।

(গ) ‘আশা আৰু সান্ত্বনাৰ কথা’ প্ৰবন্ধটিত আশা আৰু সান্ত্বনা সম্পৰ্কে কোনবোৰ কথা সোঁৱৰাই দিছে, আলোচনা কৰা।

(ঘ) ‘মানুহ শংকৰদেৱ’ পাঠটিৰ মূল বক্তব্য বিষয় সম্পৰ্কে বহলাই আলোচনা কৰা।

(ঙ) ৰোমাণ্টিক কবিতা আৰু সাম্প্ৰতিক কবিতাৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা।

(চ) সাধুকথাক চুটিগল্প বুলি ক'ব পাৰিনে, বহলাই আলোচনা কৰা।

(ছ) 'জীৱন বৃত্ত'ত লেখকে পৰিৱেশৰ ছবিখন কেনেধৰণে বৰ্ণনা কৰিছে, আলোচনা কৰা।

(জ) 'মকৰা পেস্কাৰ' প্ৰবন্ধটিত অসমৰ কোনটো সময়ৰ ৰাজনৈতিক জীৱনৰ ছবি, কেনেদৰে প্ৰতিফলিত হৈছে, বৰ্ণনা কৰা।

★★★